रजिस्ट्री सं डी 221

Registered No.D 221
পঞ্জীয়ন নং ডি ২২১

# भारत का राजपत्र
# THE GAZETTE OF INDIA
# ভাৰতৰ ৰাজপত্ৰ

असाधारण
EXTRA ORDINARY
অসাধাৰণ

भाग VI - अनुभाग 1
PART VI - Section 1
ভাগ ৬ - অনুভাগ ১

प्राधिकार से प्रकाशित
PUBLISHED BY AUTHORITY
প্ৰাধিকাৰৰ দ্বাৰা প্ৰকাশিত

No. 1] NEW DELHI, MONDAY, NOVEMBER 8, 2010/17 KATI, 1932 (Saka) [Vol : 4
নং ১ ] নতুন দিল্লী, সোমবাৰ, নবেম্বৰ ৮, ২০১০ / ১৭ কাতি, ১৯৩২ (শক) [খণ্ড ঃ ৪

Separate paging is given to this part in order that it may be filed as a separate compilation.

## বিধি, ন্যায় আৰু কোম্পানী কাৰ্য্য মন্ত্ৰালয়

## (বিধান বিভাগ)

নতুন দিল্লী, ১ চেপ্তেম্বৰ, ২০১০/১০ ভাদ ১৯৩২ (শক)

(১) দি ইণ্ডিয়ান পেনেল কোড্, (১৮৬০ ৰ ৪৫)

(২) দি চেন্ট্ৰেল ইণ্ডাষ্ট্ৰীয়েল চিকিউৰিটি ফোৰ্চ এক্ট, ১৯৬৮ (১৯৬৮ ৰ ৫০)

নিম্নলিখিত অসমীয়া অনুবাদ এতদ্বাৰা ৰাষ্ট্ৰপতিৰ প্ৰাধিকাৰাধীনে প্ৰকাশিত কৰা হৈছে আৰু প্ৰাধিকৃত পাঠ (কেন্দ্ৰীয় বিধি সমূহ) অধিনিয়ম, ১৯৭৩ (১৯৭৩ ৰ ৫০) ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত অসমীয়াত তাৰ প্ৰাধিকৃত পাঠ ৰূপে গণ্য কৰা হব।

## MINISTRY OF LAW, JUSTICE AND COMPANY AFFAIRS

## (Legislative Department)

New Delhi, Dated the 1st September, 2010/10 Bhadra, 1932 (SAKA)

The Translations in Assamese of the following, namely :-

1. The Indian Penal Code (45 of 1860),
2. The Central Industrial Security Force 1968 (50 of 1968)

are hereby published under the authority of the President and shall be deemed to be the authoritative texts thereof in Assamese under clause (a) of Section 2 of the Authoritative Texts (Central Laws) Act, 1973 (50 of 1973).

# কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনী অধিনিয়ম, ১৯৬৮

## (১৯৬৮ৰ অধিনিয়ম সংখ্যা ৫০)

[ ২ ডিচেম্বৰ, ১৯৬৮ ]

[১] [ কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা মালিকানাধীন ঔদ্যোগিক উপক্ৰম, কেতবোৰ আন ঔদ্যোগিক উপক্ৰম, এনে সকলো উপক্ৰমৰ কৰ্মচাৰীবৃন্দৰ উন্নত নিৰাপত্তা আৰু সুৰক্ষাৰ বাবে সংঘৰ সশস্ত্ৰ বাহিনী গঠন আৰু বিনিয়ম উপবন্ধিত কৰিবলৈ আৰু ব্যক্তিগত খণ্ডত ঔদ্যোগিক প্ৰতিষ্ঠানবোৰত কাৰিকৰী পৰামৰ্শ সেৱা আৰু তাৰ সৈতে সম্পৰ্কিত বিষয়বোৰৰ বাবে উপবন্ধিত কৰিবলৈ এখনি অধিনিয়ম ।।

ভাৰত গণৰাজ্যৰ উনৈশতম বৰ্ষত সংসদৰ দ্বাৰা নিম্নলিখিত ৰূপত অধিনিয়মিত হওঁক ঃ-

**সংক্ষিপ্ত নাম, বিস্তাৰ আৰু প্ৰাৰম্ভণ ।** ১। (১) এই অধিনিয়মখন কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনী অধিনিয়ম, ১৯৬৮ নামেৰে অভিহিত হব ।

(২) ই সমগ্ৰ ভাৰতলৈ বিস্তৃত হৈছে ।

(৩) ই এনে তাৰিখৰ পৰা বলবৎ হব [২]যেনেদৰে কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা নিয়ত কৰে ।

**পৰিভাষা সমূহ।** ২। (১) এই অধিনিয়মত, প্ৰসঙ্গত অন্যাথা অপেক্ষিত নহলে, -

[৩][(ক) ''মহানিৰ্দেশক'' মানে ধাৰা ৪ৰ অধীনত নিযুক্ত বাহিনীৰ মহানিৰ্দেশক ;

(কক) ''বাহিনীৰ নামভুক্ত সদস্য'' মানে কাৰ্য্যালয়ৰ অধীনত যি কোনো অধীনস্থ পদাধিকাৰী বা অধীনস্থ পদাধিকাৰীৰ নিম্ন পদবীৰ বাহিনীৰ অন্য যিকোনো সদস্য ;

(কখ) ''বাহিনী'' মানে ধাৰা ৩ৰ অধীনত গঠিত কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনী ;

(কগ) ''বাহিনী অভিৰক্ষা'' মানে এই অধিনিয়মৰ অধীনত প্ৰণীত নিয়মাৱলী অনুসৰি বাহিনীৰ এজন সদস্যৰ গ্ৰেপ্তাৰ বা আটক ; ]

(খ) ''ঔদ্যোগিক উপক্ৰম'' মানে কোনো অনুসূচী ত উদ্যোগৰ সৈতে সম্বন্ধিত কোনো উপক্ৰম আৰু ইয়াৰ অন্তৰ্গত কোনো অন্য এনে উদ্যোগ বা কোনো এনে বেপাৰ, ব্যৱসায় বা সেৱাত থকা উপক্ৰম যাক সংসদৰ বিধিৰ দ্বাৰা বিনিয়মিত কৰা হয় ;

(গ) ''ৰাজহুৱা খণ্ডৰ ঔদ্যোগিক উপক্ৰম'' মানে নিম্নলিখিত দ্বাৰা মালিকানাধীন, নিয়ন্ত্ৰিত বা পৰিচালিত এটা ঔদ্যোগিক উপক্ৰম, -

**১৯৫৬ৰ ১** (I) কোম্পানী অধিনিয়ম, ১৯৫৬ ধাৰা ৬১৭ত যথা পৰিভাষিত কোনো চৰকাৰী কোম্পানী ;

(II) কোনো কেন্দ্ৰীয়, প্ৰাদেশিক বা ৰাজ্যিক অধিনিয়মৰ দ্বাৰা বা তাৰ অধীনত স্থাপিত কোনো এনে নিগমৰ, যি চৰকাৰৰ দ্বাৰা নিয়ন্ত্ৰিত বা পৰিচালিত হয় ;

[৪][(গক) ''ঔদ্যোগিক প্ৰতিষ্ঠান'' মানে কোম্পানী অধিনিয়ম ১৯৫৬ৰ ধাৰা ৩ৰ অধীনত পৰিভাষিত দৰে **১৯৫৬ৰ ১**
এটা ঔদ্যোগিক উপক্ৰম বা ভাৰতীয় ভাগীদাৰী অধিনিয়ম, ১৯৩২ৰ ধাৰা ৫৯ৰ অধীনত পঞ্জীভুক্ত ফাৰ্ম যিবোৰ **১৯৩২ৰ ৯**
কোনো উদ্যোগ বা কোনো ব্যৱসায়, বানিজ্য বা সেৱাত নিযুক্ত হয়। ]

[৫][(গখ) ''যুটীয়া নৱ প্ৰচেষ্টা '' মানে ব্যক্তিগত ঔদ্যোগিক উপক্ৰমৰ সৈতে কেন্দ্ৰীয় বা ৰাজ্য চৰকাৰৰ দ্বাৰা যুটীয়াভাৱে হাতত লোৱা এটা নৱ প্ৰচেষ্টা ;]

[৬][(ঘ) X X X X X]

(ঙ) কোনো ঔদ্যোগিক উপক্ৰমৰ সম্বন্ধত ''পৰিচালন নিৰ্দেশক'' মানে সেই ব্যক্তি (ই পৰিচালন অভিকৰ্ত্তা, মুখ্য পৰিচালক, পৰিচালক বা মুখ্য কাৰ্য্যবাহী পদাধিকাৰীয়েই হওঁক বা যিকোনো অন্য নামেৰেই জ্ঞাত হওঁক) যি সেই উপক্ৰমৰ ব্যৱসায় নিয়ন্ত্ৰন কৰে ;

---

১। কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনী (সংশোধন আৰু বৈধকৰণ) অধিনিয়ম, ১৯৯৯ৰ ধাৰা ২ৰ দ্বাৰা প্ৰতিষ্ঠাপিত ।

২। ১০-৩-১৯৬৯ তাৰিখত বলবৎ হৈছে ।

৩। ১৯৮৩ৰ অধিনিয়ম ১৪ৰ ধাৰা ৩ৰ দ্বাৰা (১৫-৬-১৯৮৩ৰ পৰা) প্ৰতিষ্ঠাপিত ।

৪। কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনী (সংশোধন আৰু বৈধকৰণ) অধিনিয়ম, ১৯৯৯ৰ ধাৰা ৩ৰ দ্বাৰা অন্তঃস্থাপিত।

৫। কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনী (সংশোধন) অধিনিয়ম, ২০০৯ (২০০৯ৰ ২২)ৰ ধাৰা ২ৰ দ্বাৰা অন্তঃস্থাপিত।

৬। ১৯৮৩ৰ অধিনিয়ম ১৪ৰ ধাৰা ৩ৰ দ্বাৰা (১৫-৬-১৯৮৩ৰ পৰা) লোপ কৰা হৈছে ।

(চ) ''বাহিনী সদস্য'' মানে এই অধিনিয়মৰ অধীনত [1] [x x x] বাহিনীত নিযুক্ত এজন ব্যক্তি ;

(ছ) ''বিহিত'' মানে এই অধিনিয়মৰ অধীনত প্ৰণয়ন কৰা নিয়মৰ দ্বাৰা বিহিত ;

[2][(ছক) ''ব্যক্তিগত ঔদ্যোগিক উপক্ৰম'' মানে ব্যক্তিগত কেন্দ্ৰীয় বা ৰাজ্য চৰকাৰৰ বা যিকোনো ৰাজহুৱা খণ্ডৰ যিকোনো ঔদ্যোগিক উপক্ৰমৰ ব্যতিৰেকে এজন ব্যক্তিৰ দ্বাৰা মালিকানাধীন, নিয়ন্ত্ৰিত বা পৰিচালিত এটা উদ্যোগ ;]

(জ) ''অনুসূচীত উদ্যোগ'' মানে উদ্যোগ (বিকাশ আৰু বিনিয়মন) অধিনিয়ম, ১৯৫১ৰ প্ৰথম অনুসূচীত বৰ্ণিত সামগ্ৰীসমূহৰ নিৰ্মাণ বা উৎপাদনত ব্যৱহৃত কোনো উদ্যোগ ;

[3][(জক) ''অধীনস্থ পদাধিকাৰী'' মানে এজন পৰিদৰ্শক, এজন উপ-পৰিদৰ্শক বা এজন সহকাৰী উপ-পৰিদৰ্শক হিচাবে বাহিনীত নিযুক্ত এজন ব্যক্তি ।]

(ঝ) ''পৰ্য্যবেক্ষক পদাধিকাৰী'' মানে ধাৰা ৪ৰ অধীনত নিযুক্ত যিকোনো পদাধিকাৰী আৰু বাহিনীৰ এজন পৰ্যবেক্ষক পদাধিকাৰী ৰূপে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নিযুক্ত কোনো অন্য পদাধিকাৰীকো অন্তৰ্ভুক্ত কৰে ;

[3][(ঞ)'' অৱৰ পদাধিকাৰী'' মানে মুখ্য কনিষ্টবল, নায়ক বা লেঞ্চ নায়ক হিচাবে বাহিনীত নিযুক্ত এজন ব্যক্তি ।]

[4][(২) কোনো বিধিলৈ এই অধিনিয়মত থকা কোনো প্ৰসঙ্গ নিৰ্দেশ যিটো কোনো অঞ্চলত বলবৎ হোৱা নাই, সেই অঞ্চলৰ সম্পৰ্কত যদি কিবা থাকে, সেই অঞ্চলত বলবৎ হোৱা তদনুৰূপ বিধিৰ এটা প্ৰসঙ্গ নিৰ্দেশ ৰূপে গণ্য হব ।]

**বাহিনীৰ গঠন।** ৩। (১) কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা সেই চৰকাৰ [5][ যুটীয়া নৱ প্ৰচেষ্টা আৰু ব্যক্তিগত ঔদ্যোগিক উপক্ৰম ] ৰ মালিকানাধীন ঔদ্যোগিক উপক্ৰমৰ উন্নত সংৰক্ষন আৰু সুৰক্ষাৰ বাবে [6][ আৰু কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা ইয়ালৈ ন্যস্ত কৰা দৰে এনে আন কৰ্ত্তব্য সমূহ সম্পাদন কৰিবলৈ ] কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনী নামেৰে [7][সংঘৰ এটা সশস্ত্ৰ বাহিনী] গঠন কৰা হব আৰু সংৰক্ষিত কৰা হব ।

(২) বাহিনী এনে ৰীতিত গঠন কৰা হব, তাত এনে সংখ্যক [8][ পৰ্য্যবেক্ষক পদাধিকাৰী, অধীনস্থ পদাধিকাৰী, অৱৰ পদাধিকাৰী আৰু অন্য নাম ভুক্ত সদস্য সকল] থাকিব আৰু তেওঁলোকে এনে বেতন আৰু অন্য পাৰিশ্ৰমিক পাব যিদৰে বিহিত কৰা হয় ।

**পৰ্য্যবেক্ষক পদাধিকাৰীৰ নিযুক্তি আৰু ক্ষমতাবোৰ।** ৪। [9][(১) কেন্দ্ৰীয় চৰকাৰে আৱশ্যক বিবেচনা কৰা দৰে বাহিনীৰ এজন ব্যক্তিক মহানিৰ্দেশক ৰূপে আৰু অন্য পৰ্যৱেক্ষক পদাধিকাৰীক নিযুক্তি দিব পাৰে ।]

(২) এনেদৰে নিযুক্ত কৰা হোৱা [8][মহা নিৰ্দেশক ] আৰু প্ৰত্যেক অন্য পৰ্য্যবেক্ষক পদাধিকাৰীৰ এনে ক্ষমতাবোৰ আৰু প্ৰাধিকাৰ থাকিব যিবোৰ এই অধিনিয়মৰ দ্বাৰা বা তাৰ অধীনত উপবন্ধিত কৰা হয় ।

**বাহিনীৰ নামভূক্ত সদস্য সমূহৰ নিযুক্তি।** ৫। [10][ বাহিনীৰ নামভুক্ত সদস্য সকলৰ নিযুক্তিত মহা নিৰ্দেশকৰ ক্ষমতা থাকিব] যিজনে এই অধিনিয়মৰ অধীনত প্ৰণীত নিয়মাৱলী অনুসৰি সেই ক্ষমতা কাৰ্য্যকৰী কৰিব ঃ

পৰন্তু এই ধাৰাৰ অধীনত নিযুক্তিৰ ক্ষমতাৰ প্ৰয়োগ এনে অন্য পৰ্য্যবেক্ষক পদাধিকাৰীৰ দ্বাৰা কৰিব পৰা যাব যিদৰে কেন্দ্ৰীয় চৰকাৰে আদেশৰ দ্বাৰা এই মৰ্মে বিনিৰ্দিষ্ট কৰে ।

**বাহিনীৰ সদস্য সকলৰ প্ৰমাণ পত্ৰ।** ৬। [11][(১) বাহিনীৰ প্ৰত্যেক নাম ভুক্ত সদস্যই অনুসূচীত বৰ্ণিত প্ৰপত্ৰত তেওঁৰ নিযুক্তি মহা নিৰ্দেশক বা এনে অন্য পৰ্য্যবেক্ষক পদাধিকাৰীৰ অধীনত এখন প্ৰমাণ পত্ৰ প্ৰাপ্ত কৰিব, যাৰ ফলত এনেদৰে প্ৰমান পত্ৰ ধাৰণ কৰা ব্যক্তিৰ বাহিনীৰ এজন নাম ভুক্ত সদস্যৰ ওপৰত ক্ষমতাবোৰ ন্যস্ত হব ।]

(২) যেতিয়া ইয়াত নাম থকা ব্যক্তিজন যিকোনো কাৰণৰ বাবে বাহিনীৰ [8][ এজন নাম ভুক্ত সদস্য] নহয় এনে প্ৰমাণ পত্ৰ কাৰ্য্যকৰী নহব ।

**বাহিনীৰ অধীক্ষণ আৰু প্ৰশাসন।** ৭। [12][ (১) বাহিনীৰ অধীক্ষন কেন্দ্ৰীয় চৰকাৰত ন্যস্ত হব আৰু তাৰ আৰু এই অধিনিয়মৰ উপবন্ধবোৰ আৰু তাৰ অধীনত প্ৰণীত যিকোনো নিয়মাৱলী সাপেক্ষে বাহিনীৰ আদেশ, অধীক্ষন আৰু প্ৰশাসন মহা নিৰ্দেশকৰ ওপৰত ন্যস্ত হব ।]

---

১। ১৯৮৩ৰ ১৪নং অধিনিয়মৰ ধাৰা ৩ৰ দ্বাৰা (১৫-৬-১৯৮৩ৰ পৰা) লোপ কৰা হৈছে ।
২। কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনী (সংশোধন) অধিনিয়ম, ২০০৯ (২০০৯ৰ ২২)ৰ ধাৰা ২ৰ দ্বাৰা অন্তঃস্থাপিত।
৩। ১৯৮৩ৰ ১৪নং অধিনিয়মৰ ধাৰা ৩ৰ দ্বাৰা (১৫-৬-১৯৮৩ৰ পৰা) অন্তঃস্থাপিত ।
৪। ১৯৮৩ৰ ১৪নং অধিনিয়মৰ ধাৰা ৩ৰ দ্বাৰা উপধাৰা ২ৰ স্থানত প্ৰতিস্থাপিত । (১৫-৬-১৯৮৩ৰ পৰা প্ৰভাৱী হোৱাকৈ)
৫। কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনী (সংশোধন) অধিনিয়ম, ২০০৯ (২০০৯ৰ ২২)ৰ ধাৰা ৩ৰ দ্বাৰা অন্তঃস্থাপিত।
৬। কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনী (সংশোধন আৰু বৈধকৰণ) অধিনিয়ম,১৯৯৯ৰ ধাৰা ৪ৰ দ্বাৰা অন্তঃস্থাপিত।
৭। ১৯৮৩ চনৰ ১৪ নং অধিনিয়মৰ ধাৰা ৪ৰ দ্বাৰা (১৫-৬-৮৩ৰ পৰা) প্ৰতিষ্ঠাপিত ।
৮। একেই অধিনিয়মৰ ধাৰা ৫ৰ দ্বাৰা (১৫-৬-৮৩ৰ পৰা)প্ৰতিষ্ঠাপিত ।
৯। ১৯৮৩ৰ অধিনিয়ম ১৪ৰ ধাৰা ৫ৰ দ্বাৰা (১৫-৬-৮৩ৰ পৰা) প্ৰতিষ্ঠাপিত ।
১০। একেই অধিনিয়মৰ ধাৰা ৬ৰ দ্বাৰা (১৫-৬-৮৩ৰ পৰা) প্ৰতিষ্ঠাপিত ।
১১। একেই অধিনিয়মৰ ধাৰা ৭ৰ দ্বাৰা (১৫-৬-৮৩ৰ পৰা) প্ৰতিষ্ঠাপিত ।
১২। একেই অধিনিয়মৰ ধাৰা ৮ৰ দ্বাৰা (১৫-৬-৮৩ৰ পৰা) প্ৰতিষ্ঠাপিত ।

(২) উপধাৰা (১) ৰ উপৰন্ধাৱলীৰ সাপেক্ষে, বিহিত কৰা দৰে এনে স্থানীয় পৰিসীমাৰ ভিতৰত, বাহিনীৰ প্ৰশাসন, এই অধিনিয়মৰ উপবন্ধাৱলী আৰু ইয়াৰ অধীনত প্ৰণীত কোনো নিয়মাৱলীৰ অনুসৰণত [1][আৱশ্যক বিবেচনা কৰা দৰে এনে পৰ্য্যবেক্ষক পদাধিকাৰী] ৰ দ্বাৰা চলাব আৰু উদ্যোগিক উপক্ৰম, [2][যুটীয়া নৱ প্ৰচেষ্টা বা ব্যক্তিগত উদ্যোগিক উপক্ৰম] ৰ সুৰক্ষা আৰু নিয়ন্ত্ৰনৰ দায়িত্বত থকা প্ৰত্যেক পৰ্যবেক্ষন পদাধিকাৰীয়ে, এই মৰ্মে [3][কেন্দ্ৰীয় চৰকাৰ বা মহা নিৰ্দেশক ] ৰ দ্বাৰা দিব পৰা কোনো নিৰ্দেশনাৰ সাপেক্ষে, সেই উপক্ৰমৰ সঞ্চালন পৰিচালকৰ অধীক্ষন, নিৰ্দেশ আৰু নিয়ন্ত্ৰনৰ অধীনত তেওঁৰ কৃত্য নিৰ্বহন কৰিব ।

বাহিনীৰ সদস্যৰ পদচ্যুতি অপসাৰণ ইত্যাদি ।

৮। সংবিধানৰ অনুচ্ছেদ ৩১১ৰ উপবন্ধাৱলী আৰু এনে নিয়মাৱলীৰ সাপেক্ষে যেনেদৰে কেন্দ্ৰীয় চৰকাৰে এই অধিনিয়মৰ অধীনত প্ৰণয়ন কৰিব পাৰে, যিকোনো পৰ্য্যবেক্ষণ পদাধিকাৰীয়ে -

(I) কোনো এনে বাহিনীৰ [4][ নাম ভুক্ত সদস্য ] যাৰ সম্বন্ধত তেওঁ জানে যে সেই বাহিনীৰ সদস্যই নিজৰ কৰ্ত্তব্যৰ নিৰ্বহনত শিথিলতা বা অপেক্ষা কৰণৰ নিজৰ কৰ্ত্তব্যৰ নিৰ্বহনৰ বাবে অযোগ্য হয়, পদচ্যুতি, [5][অপসাৰণ] , [6][ বাধ্যতামূলক অৱসৰৰ বাবে আদেশ ] কৰিব পাৰিব বা পদবীৰ পৰা অবনমিত কৰিব পাৰিব ।

(II) কোনো এনে বাহিনীৰ [4] [ নাম ভুক্ত সদস্য ] যিয়ে নিজৰ কৰ্ত্তব্যৰ নিৰ্বহন অসাৱধান বা অৱহেলাৰে কৰে, বা নিজৰ কোনো কাৰ্য্যৰ দ্বাৰা নিজকে কৰ্ত্তব্যৰ নিৰ্বহনৰ বাবে অনুপযুক্ত কৰে, নিম্নলিখিত দণ্ডবোৰৰ কোনো এক বা অধিক দণ্ড নিৰ্ণয় কৰিব পাৰিব, অৰ্থাৎ-

(ক) সাত দিনৰ অনধিক ৰাশিৰ দৰমহাৰ জৰিমনা বা দৰমহা নিৰিখ হ্ৰাসকৰণ ;

(খ) ড্ৰিল কৰা, অতিৰিক্ত পহৰা, পৰিক্ৰম বা অন্য কৰ্ত্তব্য ;

(গ) কোনো পদৰ পৰা অপসাৰণ বা কোনো বিশেষ পৰিভূতিৰ পৰা বঞ্চিত কৰণ ;

[7][(ঘ) সঞ্চয়মুখী ফলসহ বা বিনা দৰমহাৰ বৃদ্ধিকৰণ বিৰত ৰখা ;

(ঙ) পদোন্নতিৰ বিৰত ৰখা ;

(চ) অনুযোগ কৰা ।]

আপীল আৰু পুনৰীক্ষা।

৯। (১) ধাৰা ৮ৰ অধীনত কৰা কোনো আদেশৰ পৰা ব্যথিত কোনো বাহিনীৰ [4][ নাম ভুক্ত সদস্য ] , ই সেই তাৰিখৰ পৰা যিটো তেওঁক আদেশৰ দ্বাৰা জনোৱা হয়, ত্ৰিশ দিনৰ ভিতৰত সেই আদেশৰ বিৰুদ্ধে আপীল এনে প্ৰাধিকাৰীক কৰিব পাৰিব, যিদৰে বিহিত কৰা হয় আৰু [8][ উপধাৰা (২ক), উপধাৰা (২খ) আৰু উপধাৰা (৩)ৰ উপবন্ধসমূহৰ সাপেক্ষে] তাৰ ওপৰত উক্ত প্ৰাধিকাৰীৰ বিনিশ্চয় চূড়ান্ত হব ঃ

পৰন্তু যদি বিহিত প্ৰাধিকাৰী সন্তুষ্ট হয় যে আপীলকাৰীয়ে সময়ৰ ভিতৰত আপীল দাখিল কৰাৰ, পৰ্য্যাপ্ত কাৰণৰ বাবে, বাধাপ্ৰাপ্ত হৈছিল তেতিয়া সেই ত্ৰিশ দিনৰ উক্ত কালৰ অৱসানৰ পাছত আপীল গ্ৰহণ কৰিব পাৰিব ।

(২) বিহিত প্ৰাধিকাৰীয়ে আপীল নিষ্পত্তি কৰোতে এনে প্ৰক্ৰিয়া অনুসৰণ কৰিব যিদৰে বিহিত কৰা হয় ।

[9][(২ক) উপধাৰা (১) ৰ অধীনত আপীলত পাৰিত কৰা আদেশৰ দ্বাৰা ব্যথিত বাহিনীৰ নামভুক্ত কোনো সদস্যই তেওঁক প্ৰেৰণ কৰা আদেশৰ তাৰিখৰ পৰা ছয় মাহ কালৰ ভিতৰত সেই আদেশৰ বিৰুদ্ধে বিহিত কৰা এনে প্ৰাধিকাৰীলৈ পুনৰীক্ষণ আবেদন কৰিব পাৰে আৰু পুনৰীক্ষণ আবেদন নিষ্পত্তি কৰাত উক্ত প্ৰাধিকাৰীয়ে বিহিত কৰা দৰে এনে প্ৰক্ৰিয়া অনুসৰণ কৰিব ।

(২খ) প্ৰাধিকাৰীয়ে এই উপধাৰাৰ প্ৰয়োজনাৰ্থে বিহিত কৰা দৰে, বাহিনীৰ নামভূক্ত কোনো সদস্যৰ দ্বাৰা দাখিল কৰা পুনৰীক্ষণৰ আবেদনৰ ওপৰত বা স্বপ্ৰেৰণাৰ্থে বিহিত কালৰ ভিতৰত ধাৰা ৮ বা উপধাৰা (২) বা উপধাৰা (২ক) ৰ অধীনত কোনো কাৰ্যবাহীৰ অভিলেখ বিচাৰিব পাৰে আৰু এনে প্ৰাধিকাৰীয়ে বিহিত ৰীতিত তদন্তৰ পিচত এই অধিনিয়মৰ উপবন্ধ সমূহৰ সাপেক্ষে, এনে আদেশ পাৰিত কৰিব যিদৰে তেওঁ উচিত বুলি ভাবে ; ]

(৩) কেন্দ্ৰীয় চৰকাৰে, [10][ ধাৰা ৮, উপধাৰা (২), উপধাৰা (২ক) বা উপধাৰা (২খ) ৰ অধীনত ] কৰা কোনো কাৰ্য্যবাহীৰ অভিলেখ বিচাৰিব পাৰিব আৰু তাৰ পৰীক্ষা কৰিব পাৰিব আৰু এনে তদন্ত কৰিব পাৰিব বা কৰাব পাৰিব আৰু এই অধিনিয়মৰ উপবন্ধবোৰৰ সাপেক্ষে তাৰ ওপৰত এনে আদেশ কৰিব পাৰিব যিদৰে তেওঁ উচিত বুলি ভাবে ঃ

পৰন্তু উপধাৰা (২) বা উপধাৰা (৩) ৰ অধীনত কোনো বৰ্দ্ধিত জৰিমনা ন্যস্ত কৰিবলৈ আদেশ কৰা নহব যদিহে সেই আদেশৰ দ্বাৰা প্ৰভাৱিত ব্যক্তিক শুনানীৰ যুক্তিযুক্ত সুবিধা দিয়া নহয় ।

বাহিনীৰ সদস্যসকলৰ কৰ্তব্য ।

১০। প্ৰত্যেক [11] x x x x x আৰু বাহিনীৰ সদস্যৰ নিম্নিলিখিত কৰ্তব্য সমূহ হব -

(ক) নিজৰ জ্যেষ্ঠ প্ৰাধিকাৰীৰ দ্বাৰা তেওঁলৈ বৈধভাৱে প্ৰেৰণ কৰা সকলো আদেশ তৎপৰতা পূৰ্বক পালন আৰু নিষ্পাদন কৰিব ;

---

১। কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনী (সংশোধন) অধিনিয়ম, ২০০৯ (২০০৯ৰ ২২)ৰ ধাৰা ৫ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।
২। কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনী (সংশোধন) অধিনিয়ম, ২০০৯ (২০০৯ৰ ২২)ৰ ধাৰা ৫ৰ দ্বাৰা অন্তঃস্থাপিত।
৩। ১৯৮৩ৰ অধিনিয়ম ১৪ৰ ধাৰা ৮ৰ দ্বাৰা (১৫-৬-৮৩ৰ পৰা) প্ৰতিষ্ঠাপিত ।
৪। একেই অধিনিয়মৰ ধাৰা ১৩ আৰু অনুসূচীৰ দ্বাৰা (১৫-৬-৮৩ৰ পৰা) প্ৰতিষ্ঠাপিত ।
৫। ১৯৮৯ৰ অধিনিয়ম ২০ৰ ধাৰা ৩ৰ দ্বাৰা প্ৰতিষ্ঠাপিত ।
৬। কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনী (সংশোধন আৰু বৈধকৰণ) অধিনিয়ম,১৯৯৯ৰ ধাৰা ৫ৰ দ্বাৰা অন্তঃস্থাপিত।
৭। কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনী (সংশোধন আৰু বৈধকৰণ) অধিনিয়ম,১৯৯৯ৰ ধাৰা ৫ৰ দ্বাৰা অন্তঃস্থাপিত।
৮। একে অধিনিয়মৰ ধাৰা ৬ৰ দ্বাৰা প্ৰতিষ্ঠাপিত ।
৯। একে অধিনিয়মৰ ধাৰা ৬ৰ দ্বাৰা অন্তঃস্থাপিত।
১০। একে অধিনিয়মৰ ধাৰা ৬ৰ দ্বাৰা প্ৰতিষ্ঠাপিত ।
১১। ১৯৮৩ ৰ অধিনিয়ম ১৪ ৰ ধাৰা ১৩ আৰু অনুসূচীৰ দ্বাৰা (১৫-৬-৮৩) ৰ পৰা লোপ কৰা হৈছে ।

(খ) নিজৰ অধিকাৰিতাৰ স্থানীয় সীমাৰ ভিতৰত থকা কেন্দ্ৰীয় চৰকাৰৰ মালিকানাধীন ঔদ্যোগিক উপক্ৰম সমূহৰ আৰু অন্য এনে সংস্থাপনৰো সংৰক্ষণ আৰু ৰক্ষা কৰিবলৈ যিবোৰ, সেই চৰকাৰে সেইবোৰ উপক্ৰমত কাম চলাবৰ বাবে নিৰ্দিষ্ট কৰে ঃ

পৰন্তু কোনো এনে সংস্থাপনত যি কেন্দ্ৰীয় চৰকাৰৰ মালিকানাধীন নহয় বা নিয়ন্ত্ৰনত থকা নাই কোনো এনে প্ৰকাৰে বিনিৰ্দিষ্ট কৰাৰ পূৰ্বে কেন্দ্ৰীয় চৰকাৰে সেই ৰাজ্য চৰকাৰৰ সন্মতিত প্ৰাপ্ত কৰিব য'ত এনে সংস্থাপন অৱস্থিত;

(গ) অন্য এনে ঔদ্যোগিক উপক্ৰমসমূহ আৰু সংস্থাপনসমূহৰ সংৰক্ষণ আৰু ৰক্ষা কৰিবলৈ [১][কোনো যুটীয়া নৱ প্ৰচেষ্টা, ব্যক্তিগত ঔদ্যোগিক উপক্ৰম আৰু ] যাৰ সংৰক্ষণ আৰু সুৰক্ষাৰ বাবে তেওঁক ধাৰা ১৪ ৰ অধীনত প্ৰতিনিযুক্তি কৰা হৈছে ;

[২][(ঘ) খণ্ড (খ) আৰু (গ) ত উল্লিখিত ঔদ্যোগিক উপক্ৰমসমূহৰ কৰ্মচাৰী আৰু পদস্থাপন সুৰক্ষা আৰু সংৰক্ষণ কৰিব ;

(ঙ) খণ্ড (খ) আৰু (গ) ত উল্লিখিত ঔদ্যোগিক উপক্ৰম আৰু পদস্থাপন সমূহ আৰু খণ্ড (ঘ) ত উল্লিখিত কৰ্মচাৰী সকলৰ শ্ৰেষ্ঠতৰ ৰক্ষা আৰু সুৰক্ষা'' ।]

[৩][(চ) ধাৰা ১৪ কৰ অধীনত কোনো ব্যক্তিগত খণ্ডৰ ঔদ্যোগিক প্ৰতিষ্ঠান সমূহৰ সুৰক্ষা সম্বন্ধিত কাৰিকৰী পৰামৰ্শৰ সেৱা সমূহ উপবন্ধ কৰিব ;

(ছ) চৰকাৰৰ দ্বাৰা মালিকানাধীন বা নিধিকৃত সংগঠনবোৰ আৰু এনে সংগঠনৰ কৰ্মচাৰীসমূহক নিৰাপত্তা আৰু ৰক্ষণ কৰিবলৈ যেনেদৰে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা তেওঁলৈ ন্যস্ত কৰা হয় ;

(জ) কোনো আন কৰ্ত্তব্য [৪][ভাৰতৰ ভিতৰত বা বাহিৰত] যিটো সময়ে সময়ে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা তেওঁলৈ ন্যস্ত কৰা হয় ।]

**পৰোৱানা বিনা গ্ৰেপ্তাৰ কৰাৰ ক্ষমত।**

১১। [৫][(১) বাহিনীৰ যিকোনো সদস্যই এজন দণ্ডাধীশৰ যিকোনো আদেশৰ অবিহনে আৰু এখন পৰোৱানা অবিহনে গ্ৰেপ্তাৰ কৰিব পাৰে -

[৬][(I) যিকোনো ব্যক্তি যিজনে স্বেচ্ছাই ধাৰা ১০ৰ খণ্ড (ঘ) ত উল্লিখিত যিকোনো ব্যক্তিক আঘাত কৰে বা স্বেচ্ছাই আঘাত কৰিবলৈ চেষ্টা কৰে বা অসৎ ভাৱে বাধা দিয়ে বা অসৎ ভাৱে বাধা দিবলৈ চেষ্টা কৰে বা মাৰপিট কৰে, মাৰপিট কৰিবলৈ ভাবুকি দিয়ে, বা ব্যৱহাৰ কৰে বা যিকোনো কৰ্মচাৰীক ভাবুকি দিয়ে, বা ব্যৱহাৰ কৰিবলৈ চেষ্টা কৰে, তেওঁৰ কৰ্ত্তব্য সম্পাদনাত বাহিনীৰ যিকোনো অন্য সদস্যই এজন এনে সদস্য হিচাবে বা তেওঁৰ কৰ্ত্তব্য সম্পাদনত, যথাস্থিতি, বা বাধা দিবলৈ অভিপ্ৰায় বা এজন সদস্য হিচাবে তেওঁৰ কৰ্ত্তব্য সম্পাদনত বাধা দিয়ে বা কোনো কৃত্য অনুসৰি বা এনে সদস্য হিচাবে তেওঁৰ কৰ্ত্তব্যৰ বিধিপূৰ্ণ নিৰ্বহনত চেষ্টা কৰে ;

(II) যিকোনো ব্যক্তি যিজন যুক্ত থাকে, বা যাৰ বিৰুদ্ধে এটা যুক্তিযুক্ত সন্দেহ থাকে যে তেওঁ যুক্ত আছে বা পৰিস্থিতিৰ অধীনত তেওঁ নিজৰ উপস্থিতি গোপন কৰিবলৈ সতৰ্ক হোৱা বুলি গম পোৱা হয়, যিটো বিশ্বাস কৰিবলৈ কাৰণ থাকে যে যিটো ধাৰা ১০ ৰ খণ্ড (খ) আৰু (গ) ত উল্লিখিত যিকোনো উদ্যোগিক উপক্ৰমৰ সম্বন্ধিত হয়, বা অন্য অধিস্থাপন সম্বন্ধিত বা সেইবোৰ খণ্ডত উল্লিখিত অন্য অধিস্থাপন চৌহদত থকা সম্পত্তিৰ সম্বন্ধত তেওঁ এটা সংজ্ঞেয় অপৰাধ সংঘটিত কৰিব পাৰে ।

(III) যিকোনো ব্যক্তি যিজনে এটা সংজ্ঞেয় অপৰাধ সংঘটিত কৰে বা কৰিবলৈ চেষ্টা কৰে যিটোৱে ধাৰা ১০ ৰ খণ্ড(খ) আৰু (গ) ত উল্লিখিত উপক্ৰম বা অধিস্থাপনৰ কোনো কাৰ্য্যত লিপ্ত থকা যিকোনো ব্যক্তিৰ জীৱন বিপদাপন্নত [৭][X X X X] জড়িত থকা বা জড়িত থকাৰ সম্ভৱনা থাকে ।]

(২) যদি যিকোনো ব্যক্তিক ধাৰা ১০ খণ্ড (খ) আৰু (গ) ত উল্লিখিত যিকোনো ঔদ্যোগিক উপক্ৰমৰ চৌহদত ঘুৰি ফুৰা পোৱা হয়, তেওঁৰ বিৰুদ্ধে লোৱা কাৰ্য্যবাহীবোৰলৈ বিনা পক্ষপাতে এনে ঘৰবাৰীৰ পৰা যিকোনো [৮][X X X X ] বাহিনীৰ সদস্যৰ দ্বাৰা আতৰ কৰা হব ।

**পৰোৱানা বিনা তালাচী লবলৈ ক্ষমত।**

১২।(১) যেতিয়াই [৯][X X X X ] কোনো এনে বাহিনীৰ সদস্যই যিজন বিহিত পদবীৰ নিম্নতৰ নহয়, এইটো বিশ্বাস কৰিবলৈ কাৰণ থাকে যি ধাৰা ১১ত যথা নিৰ্দিষ্ট কোনো অপৰাধ কৰিছে বা কৰা হৈছে আৰু অপৰাধীক পলায়ন কৰাৰ বা অপৰাধৰ সাক্ষ্য গোপন কৰাৰ সুযোগ নিদিয়াকৈ তালাচীৰ পৰোৱানা লাভ কৰিব নোৱাৰি তেতিয়া তেওঁ তৎকালে অপৰাধীক আৱদ্ধ কৰিব পাৰিব আৰু তেওঁৰ সামগ্ৰী, আয়কৰ তালাচী লব পাৰিব, আৰু যদি, তেওঁ উচিত বুলি ভাবে তেতিয়া কোনো এনে ব্যক্তিক গ্ৰেপ্তাৰ কৰিব পাৰিব যিজনক তেওঁ অপৰাধ কৰিছে বুলি বিশ্বাস কৰিবলৈ কাৰণ থাকে ।

---

১। কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনী (সংশোধন) অধিনিয়ম, ২০০৯ (২০০৯ৰ ২২)ৰ ধাৰা ৬ৰ দ্বাৰা অন্তঃস্থাপিত।
২। ১৯৮৯ ৰ অধিনিয়ম ২০ ৰ ধাৰা ৪ ৰ দ্বাৰা প্ৰতিষ্ঠাপিত ।
৩। কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনী (সংশোধন আৰু বৈধকৰণ) অধিনিয়ম,১৯৯৯ৰ ধাৰা ৭ৰ দ্বাৰা অন্তঃস্থাপিত।
৪।কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনী (সংশোধন) অধিনিয়ম, ২০০৯ (২০০৯ৰ ২২)ৰ ধাৰা ৬ৰ দ্বাৰা অন্তঃস্থাপিত।
৫। ১৯৮৩ ৰ ১৪ নং অধিনিয়মৰ ধাৰা ৯ ৰ দ্বাৰা (১৫-৬-৮৩ ৰ পৰা) প্ৰতিষ্ঠাপিত ।
৬। ১৯৮৯ ৰ ২০ নং অধিনিয়মৰ ধাৰা ৫ ৰ দ্বাৰা প্ৰতিষ্ঠাপিত ।
৭। ১৯৮৯ ৰ অধিনিয়ম ২০ ৰ ধাৰা ৫ ৰ দ্বাৰা লোপ কৰা হৈছে । (১৮-৫-১৯৮৯ৰ পৰা প্ৰভাৱী হোৱাকৈ)
৮। ১৯৮৩ ৰ ১৪ নং অধিনিয়মৰ ধাৰা ৯ৰ দ্বাৰা লোপ কৰা হৈছে ।
৯। ১৯৮৩ ৰ ১৪ নং অধিনিয়মৰ ধাৰা ১৩ আৰু অনুসূচীৰ দ্বাৰা (১৫-৬-১৯৮৩ৰ পৰা ) লোপ কৰা হৈছে ।

১৮৯৮ৰ ৫

¹[(২) দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩]ৰ অধীনত তালাচীৰ সম্বন্ধত সেই সংহিতাৰ উপবন্ধবোৰ এই ধাৰাৰ অধীনত তালাচীত যিমান দূৰ পাৰি প্ৰয়োগ হব ।

গ্ৰেপ্তাৰৰ পাছত অনুসৰণ কৰিবলগীয়া প্ৰক্ৰিয়া ।

১৩ । এই অধিনিয়মৰ অধীনত গ্ৰেপ্তাৰ কৰা কোনো ²[X X X X ] বাহিনীৰ সদস্যাই এনেদৰে গ্ৰেপ্তাৰ কৰা কোনো ব্যক্তিক, অনাৱশ্যাক বিলম্বন নকৰাকৈ কোনো আৰক্ষী পদাধিকাৰীক গতাই দিব, পুলিচ পদাধিকাৰীৰ অনুপস্থিতিত, সেই ব্যক্তিক গ্ৰেপ্তাৰ কৰা পৰিস্থিতিবোৰৰ প্ৰতিবেদন সহ একেলগে নিকটতম আৰক্ষী থানালৈ লৈ যাব ।

ৰাজহুৱা খণ্ড, ³[যুটীয়া নৱ প্ৰচেষ্টা বা ব্যক্তিগত খণ্ড]ৰ ঔদ্যোগিক উপক্ৰম সমূহত বাহিনীৰ প্ৰতিনিযুক্তি ।

১৪ । (১) কোনো এনে সাধাৰণ নিৰ্দেশবোৰৰ সাপেক্ষে, যিবোৰ কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা জাৰি কৰা হয়, কোনো ৰাজহুৱা খণ্ড, ³[যুটীয়া নৱ প্ৰচেষ্টা বা ব্যক্তিগত খণ্ড]ৰ ঔদ্যোগিক উপক্ৰমৰ সম্বন্ধত পৰিচালন সঞ্চালকৰ দ্বাৰা এই মৰ্মে আৱশ্যকতা দেখুৱাই অনুৰোধ কৰাৰ পাছত, ⁴[মহা নিৰ্দেশকৰ] ঔদ্যোগিক উপক্ৰম আৰু তাৰ সৈতে সংলগ্ন কোনো সংস্থাপনাৰ সংৰক্ষণ আৰু সুৰক্ষাৰ বাবে সিমান সংখ্যক ⁵[X X X X ] আৰু বাহিনীৰ সদস্য প্ৰতি নিয়োগ কৰিবলৈ বিধিপূৰ্ণ হব, যিটো ⁴[মহা নিৰ্দেশকে] আৱশ্যাক বুলি ভাৱে আৰু এনেদৰে প্ৰতিনিযুক্ত বাহিনী, ⁶[X X X X ] বাহিনীৰ সদস্য পৰিচালন সঞ্চালকৰ দায়িত্বত থাকিব ঃ

পৰন্তু কোনো এনে মালিকানাধীন, নিয়ন্ত্ৰিত বা পৰিচালিত উপক্ৰমৰ ক্ষেত্ৰত

(I) কোনো এনে চৰকাৰী কোম্পানীৰ দ্বাৰা, যাৰ কেন্দ্ৰীয় চৰকাৰৰ সদস্য নহয় ;

(II) প্ৰাদেশিক বা ৰাজ্যিক অধিনিয়মৰ দ্বাৰা, বা তাৰ অধীনত স্থাপিত কোনো নিগমৰ দ্বাৰা, এনে কোনো অনুৰোধ গ্ৰহন কৰা নহয় যদিহে সেই ৰাজ্যৰ চৰকাৰৰ সন্মতি সহ কৰা নহয় য'ত সেই উপক্ৰম অৱস্থিত ।

(২) যদি ⁴[মহা নিৰ্দেশক] ৰ এইটো মত হয় যে উপধাৰা ১ৰ অধীনত কোনো ঔদ্যোগিক উপক্ৰমৰ সম্বন্ধ ⁶[XXXX] বাহিনীৰ সদস্য সকলৰ নিয়োজনক আৱশ্যক কৰিবলগীয়া পৰিস্থিতিবোৰ বিদ্যমান নহয়, বা কোনো অন্য কাৰণৰ দ্বাৰা এনে কৰিবলৈ আৱশ্যক হয়, তেতিয়া, সেই ঔদ্যোগিক উপক্ৰমৰ পৰিচালন সঞ্চালকক জাননী দিয়াৰ পাছত সেই প্ৰকাৰে প্ৰতিনিযুক্ত ⁶[X X X X] বাহিনীৰ সদস্য সকলক প্ৰত্যাহাৰ কৰিব পাৰিব ঃ

পৰন্তু পৰিচালন সঞ্চালক, ⁴[ মহা নিৰ্দেশক] ক বাহিনীৰ লিখিত তিনি মাহৰ জাননী দি, অপেক্ষা কৰিব পাৰি যে এনেদৰে প্ৰতিনিযুক্ত বাহিনীৰ পদাধিকাৰী আৰু বাহিনীৰ ⁶[XXXX ] সদস্য প্ৰত্যাহাৰ কৰা হয় আৰু পৰিচালন সঞ্চালকে এনে জাননীৰ অৱসানৰ তাৰিখৰ বা তাৰ আগৰ এনে তাৰিখৰ পৰা, যি তাৰিখত বাহিনীক এনে প্ৰকাৰে প্ৰত্যাহাৰ কৰা হয়, দায়িত্বৰ পৰা মুক্ত কৰা হব ।

(৩) প্ৰতিনিযুক্তিৰ সময় চোৱাত নিজৰ কৃত্য নিৰ্বহন কৰি থকা বাহিনীৰ প্ৰত্যেক ⁶[X X X X] সদস্যাই, একে ক্ষমতা সমূহৰ প্ৰয়োগ কৰিছিল আৰু তাৰ একে দায়িত্ব, অনুশাসন আৰু জৰিমনা সাপেক্ষে হব যি তেওঁক এই অধিনিয়মৰ অধীনত সেই ক্ষেত্ৰত প্ৰয়োগ যোগ্য হ'লহেতেন, যদি কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা কোনো ঔদ্যোগিক উপক্ৰমৰ সম্বন্ধত সেই কৃত্যসমূহৰ নিৰ্বহন কৰিলেহেঁতেন ।

ঔদ্যোগিক প্ৰতিষ্ঠান সমূহৰ কাৰিকৰী পৰামৰ্শৰ সেৱা সমূহ।

⁷[১৪ক । (১) কোনো সাধাৰণ নিৰ্দেশসমূহৰ সাপেক্ষে যিবোৰ কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা জাৰী কৰা হয়, ব্যক্তিগত খণ্ডত ঔদ্যোগিক প্ৰতিষ্ঠানৰ পৰিচালন সঞ্চালক বা এই মৰ্মে তেওঁৰ দ্বাৰা প্ৰাধিকৃত কোনো আন ব্যক্তিৰ পৰা পোৱা অনুৰোধত সুৰক্ষাৰ লগত সম্বন্ধিত কাৰিকৰী পৰামৰ্শৰ সেৱা সমূহ উপবন্ধিত কৰিবলৈ বাহিনী সদস্যসকলক এনে ঔদ্যোগিক প্ৰতিষ্ঠানবোৰক এনে ৰীতিত আৰু বিহিত কৰা দৰে এনে মাচুলৰ আদায়ত নিৰ্দেশ দিয়াটো মহা সঞ্চালকৰ বাবে বিধিপূৰ্ণ হব ।

(২) উপধাৰা (১)ৰ অধীনত প্ৰাপ্ত কৰা মাচুল ভাৰতৰ একীকৃত নিধিত জমা ৰখা হব ।

**স্পষ্টীকৰণ** --- এই ধাৰাৰ প্ৰয়োজনাৰ্থে ঔদ্যোগিক প্ৰতিষ্ঠানৰ সম্বন্ধত অভিব্যক্তি ''পৰিচালন সঞ্চালক'' মানে কোনো ব্যক্তি (প্ৰধান প্ৰৱন্ধক , প্ৰৱন্ধক, মুখ্য কাৰ্য্যবাহী পদাধিকাৰী বা কোনো ফাৰ্মৰ ভাগীদাৰ বা আন কোনো নামৰ দ্বাৰাই হওঁক) যিজনে প্ৰতিষ্ঠানৰ কাৰ্য্যকলাপৰ ওপৰত নিয়ন্ত্ৰণ প্ৰয়োগ কৰে ।]

বাহিনীৰ পদাধিকাৰী সকল আৰু বাহিনীৰ সদস্য সকল সদায় কৰ্ত্তব্যত থকা বুলি বিবেচনা কৰা হব আৰু তেওঁ ভাৰতৰ যিকোনো স্থানত নিয়োজিত হোৱা বুলি দায়ী হব ।

১৫ । (১) এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে ⁶[X X X X] বাহিনীৰ প্ৰত্যেক সদস্যক সদায় কৰ্ত্তব্যত থকা বুলি বিবেচনা কৰা হব আৰু ভাৰতৰ ভিতৰত ⁸[বা বাহিৰত] যিকোনো স্থানত যিকোনো সময়ত নিয়োজিত হোৱা বুলি দায়ী হব ।

(২) ধাৰা ১৪ত উপবন্ধিত ব্যতিৰেকে, বাহিনীৰ ⁶[X X X X] সদস্যাই এই অধিনিয়মৰ অধীনত নিজৰ কৰ্ত্তব্যৰ ভিন্ন কোনো নিয়োজন বা পদত নিযুক্ত নকৰিব ।

সন্থা ইত্যাদি গঠন কৰাৰ অধিকাৰ সম্পৰ্কত নিৰ্বন্ধন ।

⁹[১৫ক । (১) বাহিনীৰ সদস্যাই কেন্দ্ৰীয় চৰকাৰৰ বা বিহিত প্ৰাধিকাৰীৰ লিখিত পূৰ্ব সংমোদন নোহোৱাকৈ-

(ক) যিকোনো ব্যৱসায় সংঘ, শ্ৰমিক সংঘ, ৰাজহুৱা সংঘ, বা যিকোনো শ্ৰেণীৰ ব্যৱসায় সংঘ, শ্ৰমিক সংঘ বা ৰাজনৈতিক সংস্থাবোৰৰ সদস্য হব নোৱাৰিব বা এইবোৰ সংঘত যুক্ত নহব ; বা

১ । ১৯৮৩ ৰ ১৪ নং অধিনিয়মৰ ধাৰা ১৩ আৰু অনুসূচীৰ দ্বাৰা (১৫-৬-১৯৮৩ ৰ পৰা) প্ৰতিষ্ঠাপিত ।
২ । ১৯৮৩ ৰ ১৪ নং অধিনিয়মৰ ধাৰা ১৩ আৰু অনুসূচীৰ দ্বাৰা লোপ কৰা হৈছে । (১৫-৬-১৯৮৩ ৰ পৰা) প্ৰতিষ্ঠাপিত ।
৩ । কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনী (সংশোধন) অধিনিয়ম, ২০০৯ (২০০৯ৰ ২২)ৰ ধাৰা ৭ৰ দ্বাৰা অন্তঃস্থাপিত।
৪ । একেই অধিনিয়মৰ ধাৰা ১৩ আৰু অনুসূচীৰ দ্বাৰা (১৫-৬-১৯৮৩ ৰ পৰা) প্ৰতিষ্ঠাপিত ।
৫ । একেই অধিনিয়মৰ দ্বাৰা লোপ কৰা হৈছে ।
৬ । একেই অধিনিয়মৰ দ্বাৰা লোপ কৰা হৈছে ।
৭ । কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনী (সংশোধন আৰু বৈধকৰণ) অধিনিয়ম, ১৯৯৯ৰ ধাৰা ৮ৰ দ্বাৰা অন্তঃস্থাপিত।
৮ । কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনী (সংশোধন) অধিনিয়ম, ২০০৯ (২০০৯ৰ ২২)ৰ ধাৰা ৮ৰ দ্বাৰা অন্তঃস্থাপিত।
৯ । ১৯৮৩ ৰ অধিনিয়ম ১৪ ৰ ধাৰা ১০ ৰ দ্বাৰা (১৫-৬-১৯৮৩ ৰ পৰা) অন্তঃস্থাপিত ।

(খ) যিকোনো সমিতি, প্ৰতিষ্ঠান, সংস্থা বা সংগঠনৰ সদস্য নহব বা যুক্ত নহব যিটো বাহিনীৰ অংশ হিচাবে স্বীকৃত নহয় বা যিটো সম্পূৰ্ণ ভাবে সামাজিক আমোদজনক বা ধৰ্ম্মীয় প্ৰকৃতিৰ নহয়; বা

(গ) ছপাশালৰ সৈতে কোনো যোগাযোগ নকৰিব বা এনে কোনো কিতাপ, চিঠি বা অন্য দস্তাৱেজৰ প্ৰকাশ নকৰিব বা নকৰাব যিটো প্ৰকৃততে তেওঁৰ কৰ্ত্তব্য নিৰ্বহনত সম্পৰ্ক নেথাকে বা ই প্ৰকৃত সাহিত্য সম্বন্ধীয় বা শিল্পীক বা বৈজ্ঞানিক চৰিত্ৰ নহয় বা বিহিত চৰিত্ৰৰ নহয় ।

**স্পষ্টীকৰণ**- যদি এই উপধাৰাৰ খণ্ড (খ)ৰ অধীনত যিকোনো সমিতি, প্ৰতিষ্ঠান, সংস্থা বা সংগঠন সঠিক ভাবে সামাজিক, আমোদজনক বা ধৰ্ম্মীয় চৰিত্ৰৰ হয় বা নহয় এই সম্পৰ্কে কোনো প্ৰশ্নৰ উত্তৰ হয় তাৰ ওপৰত কেন্দ্ৰীয় চৰকাৰৰ সিদ্ধান্ত চূড়ান্ত হব ।

(২) বাহিনীৰ যিকোনো সদস্যই বিহিত কৰা দৰে যিকোনো ৰাজনৈতিক উদ্দেশ্যৰ বাবে বা এনে অন্য উদ্দেশ্যৰ বাবে যিকোনো নিকায়ৰ দ্বাৰা গঠিত কোনো সভা বা সম্বৰ্দ্ধনাত অংশ নলব বা যোগদান নকৰিব বা ভাষণ নিদিব ।]

**নিলম্বনৰ সময়ত বাহিনীৰ সদস্য সকলৰ উত্তৰদায়িত্ব ।**

১৬। বাহিনীৰ এজন সদস্য তেওঁৰ পদৰ পৰা নিলম্বণৰ কাৰণেই বাহিনীৰ সদস্য হোৱাৰ পৰা বঞ্চিত নহব আৰু সেই কালাবধিৰ সময়ত সেই একেই উত্তৰদায়িত্ব, অনুশাসন আৰু বাহিনীৰ শাস্তিৰ অধীন হব যিটো তেওঁ কৰ্ত্তব্যত থকাৰ ক্ষেত্ৰত হ'লহেতেন ।

**বাহিনীৰ সদস্য নোহোৱা ব্যক্তি সকলৰ দ্বাৰা প্ৰমাণ পত্ৰ, অস্ত্ৰ-শস্ত্ৰ আদিৰ সমৰ্পণ ।**

১৭। (১) প্ৰত্যেক ব্যক্তি যিজন কোনো কাৰণ বশতঃ বাহিনীৰ [১][এজন নামভুক্ত সদস্য] হোৱাৰ পৰা বঞ্চিত হয় তেওঁ নিজৰ নিযুক্তি প্ৰমাণ পত্ৰ, অস্ত্ৰ-শস্ত্ৰ, সাজ-সজ্জা, বস্ত্ৰ আৰু অন্য সামগ্ৰী বাহিনীৰ পৰ্য্যবেক্ষণ পদাধিকাৰীক তৎকালে সমৰ্পণ কৰিব যিবোৰ বাহিনীৰ সদস্য ৰূপে কৰ্ত্তব্য পালনৰ বাবে তেওঁক দিয়া হয় ।

(২) কোনো ব্যক্তি, যিয়ে, উপধাৰা (১) ত অপেক্ষিত নিযুক্তি প্ৰমাণ পত্ৰত বা অস্ত্ৰ-শস্ত্ৰ, সাজ-সজ্জা, বস্ত্ৰ আৰু অন্য সামগ্ৰীবোৰ সমৰ্পণ কৰিবলৈ ইচ্ছাকৃত ভাবে অৱহেলা কৰে বা অস্বীকাৰ কৰে, দোষী সাব্যস্তকৰণত এমাহলৈ বিস্তাৰিত হব পৰা কাৰাবাসৰে বা জৰিমনাৰে, যি দুশ টকা পৰ্য্যন্ত হব পাৰে বা উভয়ৰে দণ্ডিত হব ।

(৩) এই ধাৰাৰ কোনো কথাই কোনো এনে সামগ্ৰীত প্ৰযোজ্য হোৱা বুলি গণ্য কৰা নহব, যি [১][মহা নিৰ্দেশক ] ৰ আদেশৰ অধীনত, সেই ব্যক্তিৰ নিজা সম্পত্তি বুলি গণ্য কৰা হৈছে যাক এইটো দিয়া হৈছিল ।

**কৰ্ত্তব্য, অৱহেলা, ইত্যাদিৰ বাবে দণ্ড।**

১৮। [২][(১) ধাৰা ৮ত থকা উপবন্ধবোৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ বাহিনীৰ প্ৰত্যেক সদস্যই যিয়ে কোনো কৰ্ত্তব্যৰ উলংঘন ইচ্ছাকৃত ভাবে কৰে বা যিকোনো নিয়ম বা বিনিয়মন বা পৰ্য্যবেক্ষণ পদাধিকাৰীৰ দ্বাৰা কৰা এটা বৈধ আদেশৰ উলংঘনত দোষী সাব্যস্ত হয় বা যিয়ে অনুমতি নোহোৱাকৈ কৰ্ত্তব্যৰ পৰা অব্যাহতি লয়, বা যিয়ে ছুটীত অনুপস্থিত থকা ছুটী অৱসানৰ পাছত যুক্তিযুক্ত কাৰণ বিনা কৰ্ত্তব্যত উপস্থিত থাকিবলৈ অসফল হয় বা যিজন বাহিনীৰ সদস্য হিচাবে তেওঁৰ কৰ্ত্তব্যৰ বাহিৰে যিকোনো নিযুক্তিত প্ৰাধিকাৰ বিনা নিজকে নিযুক্ত কৰে, বা যিয়ে কাপুৰুষালিৰ বাবে দোষী সাব্যস্ত হয়, বাহিনীৰ জিম্মাত লোৱা হব আৰু দোষী সাব্যস্ত কৰণত, এবছৰলৈ বিস্তৃত হব পৰা কাৰাবাসৰে দণ্ডিত হব ।

**১৯৭৪ৰ ২**

(২) দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ ত কোনো কথা থকা স্বত্বেও, এই ধাৰাৰ অধীনত দণ্ডনীয় এটা অপৰাধ সংজ্ঞেয় হব আৰু জামিনৰ অযোগ্য হব ।

(২ক) দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ ত কোনো কথা থকা স্বত্বেও, কেন্দ্ৰীয় চৰকাৰে বাহিনীৰ এজন নাম ভুক্ত সদস্যৰ দ্বাৰা সংঘটিত যি কোনো অপৰাধ বা এই অধিনিয়মৰ অধীনত দণ্ডনীয় কোনো অপৰাধ, বা সেই বাহিনীৰ আন সদস্য বা তেওঁৰ সম্পত্তিৰ বিৰুদ্ধে সংঘটিত যিকোনো অপৰাধৰ তদন্ত বা বিচাৰৰ বাবে সেনানায়ক এজনক যিকোনো শ্ৰেণীৰ দণ্ডাধীশৰ ক্ষমতা প্ৰদান কৰিব পাৰে ঃ

পৰন্তু -

(I) যেতিয়া অপৰাধীজন ছুটীত থাকে বা কৰ্ত্তব্যত অনুপস্থিত থাকে ; বা

(II) যেতিয়া অপৰাধটোত অপৰাধীজন বাহিনীৰ এজন নামভুক্ত সদস্য হিচাবে কৰ্ত্তব্যৰ সৈতে সম্পৰ্কিত নহয়, বা

(III) যেতিয়া এইটো এটা ক্ষুদ্ৰ অপৰাধ হয়, যদিও বাহিনীৰ এজন নাম ভুক্ত সদস্য হিচাবে অপৰাধীজনৰ কৰ্ত্তব্যৰ সৈতে সম্পৰ্কিত হয় ;

(IV) যেতিয়া লিখিতৰূপে অভিলিখিত হব লগা কাৰণৰ বাবে, অপৰাধৰ তদন্ত কৰিবলৈ বা বিচাৰ কৰিবলৈ দণ্ডাধীশৰ ক্ষমতাৰ সৈতে নিহিত সেনাধ্যক্ষৰ বাবে প্ৰয়োগযোগ্য নহয়,

অপৰাধটো, যদি বিহিত প্ৰাধিকাৰীয়ে, যাৰ অধিকাৰিতাৰ সীমাৰ ভিতৰত অপৰাধ সংঘটিত হৈছে, যদি এনেদৰে বিচাৰে, সেই বিষয়বস্তুৰ ওপৰত অধিকাৰিতা থকা এখন সাধাৰণ অপৰাধীক ন্যায়ালয়ৰ দ্বাৰা তদন্ত বা বিচাৰ কৰা হব ।]

**বাহিনীৰ [৩][XX XX]সদস্যৰ ওপৰত ১৯২২ ৰ অধিনিয়ম ২২ৰ প্ৰয়োগ ।**

১৯। আৰক্ষী (অপ্ৰীতি উদ্দীপন) অধিনিয়ম, ১৯২২ [৪][X X X X] বাহিনীৰ সদস্য সকলৰ ওপৰত প্ৰযোজ্য হব যেনেদৰে ই আৰক্ষীৰ সদস্য সকললৈ প্ৰযোজ্য হয় ।

---

১। ১৯৮৩ ৰ অধিনিয়ম ১৪ ৰ ধাৰা ১৩ আৰু অনুসূচীৰ দ্বাৰা (১৫-৬-১৯৮৩ ৰ পৰা) প্ৰতিষ্ঠাপিত ।
২। ১৯৮৩ ৰ অধিনিয়ম ১৪ ৰ ধাৰা ১১ ৰ দ্বাৰা (১৫-৬-১৯৮৩ ৰ পৰা) প্ৰতিষ্ঠাপিত ।
৩। ১৯৮৩ অধিনিয়ম ১৪ৰ ধাৰা ১৩ আৰু অনুসূচীৰ দ্বাৰা (১৫-৬-১৯৮৩ৰ পৰা) লোপ কৰা হৈছে ।
৪। ১৯৮৩ অধিনিয়ম ১৪ৰ ধাৰা ১৩ আৰু অনুসূচীৰ দ্বাৰা (১৫-৬-১৯৮৩ৰ পৰা) লোপ কৰা হৈছে ।

কিছুমান অধিনিয়ম বাহিনীৰ সদস্য সকল লৈ প্ৰযোজ্য নহব ।

২০। মজুৰী আদায় অধিনিয়ম, ১৯৩৬ বা ঔদ্যোগিক বিবাদ অধিনিয়ম, ১৯৪৭ বা কাৰখানা অধিনিয়ম, ১৯৪৮ বা ঔদ্যোগিক বিবাদ সমূহৰ অন্বেষণ আৰু নিৰ্দ্ধাৰণ সম্বন্ধত কোনো ৰাজ্যত বলবৎ কোনো তদনুৰূপ বিধিৰ কোনো কথাই বাহিনীৰ সদস্য সমূহলৈ প্ৰযোজ্য নহব । ১৯৩৬ৰ ৪ ১৯৪৭ৰ ১৪ ১৯৪৮ৰ ৬৩

বাহিনীৰ [১][X X X X] সদস্যৰ কাৰ্য্য সমূহৰ বাবে ৰক্ষা ।

২১। (১) কোনো [২][X X X X] বাহিনীৰ সদস্যৰ দ্বাৰা নিজৰ কৰ্ত্তব্যৰ নিৰ্বহনত কৰা কোনো কাৰ্য্যৰ বিৰুদ্ধে কৰা কোনো বাদ বা কাৰ্য্যবাহীত আপত্তি দৰ্শাবলৈ এইটো বিধি পূৰ্ণ হব যে এনে কাৰ্য্য তেওঁ সক্ষম প্ৰাধিকাৰীৰ আদেশৰ অধীনতহে কৰিছিল ।

(২) এনে কোনো আপত্তি, সেই কাৰ্য্য কৰাৰ নিৰ্দেশ দিয়া আদেশ, প্ৰদৰ্শনৰ দ্বাৰা প্ৰমাণ কৰিব পাৰি আৰু যদি এইটো প্ৰমাণিত হয় তেতিয়া আদেশ কৰা প্ৰাধিকাৰীৰ অধিকাৰিতাত কোনো ত্ৰুটী হোৱা স্বত্বেও, [৩][X X X X] বাহিনীৰ সদস্যই নিজৰ দ্বাৰা এনেদৰে কৰা কাৰ্য্যৰ সম্বন্ধত যিকোনো দায়িত্বৰ পৰা মুক্ত কৰিব পাৰিব ।

(৩) তৎকালিন বলবৎ আন কোনো বিধিত কোনো কথা থকা স্বত্বেও, কোনো বিধিক কাৰ্য্যবাহী, ই চিভিলেই হওঁক বা দাণ্ডিকেই হওঁক যিটো এই অধিনিয়ম বা তাৰ অধীনত প্ৰণীত কৰা নিয়মসমূহৰ কোনো উপবন্ধৰ দ্বাৰা বা তাৰ অনুসৰি প্ৰদত্ত ক্ষমতাবোৰৰ অধীনত কৰা হোৱা বা কৰাবলৈ অভিপ্ৰেত থকা কোনো কাৰ্য্যৰ বাবে কোনো [৩][X X X X] বাহিনীৰ সদস্যৰ বিৰুদ্ধে আনিব পাৰি, সেই কাৰ্য্যৰ অভিযোগ কৰা তিনি মাহৰ ভিতৰত প্ৰাৰম্ভ কৰা হব অন্যথা নহয় আৰু এনে কাৰ্য্যবাহী আৰু তাৰ কাৰণৰ লিখিত জাননী, সম্বন্ধিত ব্যক্তি আৰু তাৰ [৩][X X X X] এনে কাৰ্য্যবাহীৰ প্ৰাৰম্ভণৰ পৰা অতি কমেও এমাহৰ আগতে দিয়া হব ।

নিয়ম প্ৰণয়ন কৰিবলৈ ক্ষমতা ।

২২। (১) কেন্দ্ৰীয় চৰকাৰে এই অধিনিয়মৰ উদ্দেশ্যসমূহ সম্পন্ন কৰাৰ বাবে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা নিয়ম প্ৰণয়ন কৰিব পাৰিব ।

(২) বিশেষত: আৰু পূৰ্ববৰ্তী ক্ষমতাৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ এনে নিয়ম উপবন্ধ কৰিব পাৰিব ।

(ক) বাহিনীৰ [৪][X X X X] সদস্য সকলৰ শ্ৰেণী, পদবী, বৰ্গ, বেতন আৰু পাৰিশ্ৰমিক আৰু বাহিনীত তেওঁলোকৰ সেৱাৰ চৰ্ত্তসমূহৰ বিনিয়মন ;

(খ) এই অধিনিয়মৰ দ্বাৰা বা তাৰ অধীনত কোনো কৃত্য কৰিবলৈ প্ৰাধিকৃত বাহিনীৰ [৪][X X X X] সদস্য সকলৰ ক্ষমতাবোৰৰ আৰু কৰ্ত্তব্যসমূহৰ বিনিয়মন ;

(গ) বাহিনীৰ [৪][X X X X]সদস্যসকলৰ বাবে সেৱাৰ কালাৱধি স্থিৰ কৰা ;

(ঘ) বাহিনীৰ সদস্যসমূহক দিব লগা অস্ত্ৰ-শস্ত্ৰ, সাজ-সজ্জা, বস্ত্ৰ আৰু অন্য আৱশ্যক সামগ্ৰীবোৰৰ প্ৰকাৰ আৰু তাৰ মাত্ৰা বিহিত কৰা ;

(ঙ) বাহিনীৰ সদস্যসকলৰ নিবাস স্থান বিহিত কৰা ;

(চ) বাহিনীৰ প্ৰশাসনৰ সম্পৰ্কত কোনো উদ্দেশ্যৰ বাবে কোনো নিধিৰ সংস্থাপন, আৰু তাৰ পৰিচালনা আৰু বিনিয়মন ;

(ছ) দণ্ডসমূহৰ বিনিয়মন আৰু সেই প্ৰাধিকাৰীক বিহিত কৰি যাৰ ওচৰত দণ্ডাদেশৰ অথবা জৰিমনা বা অন্য দণ্ডৰ পৰিহাৰৰ আদেশসমূহৰ আপীল কৰা হয় আৰু এনে আপীলসমূহৰ নিষ্পত্তিৰ বাবে অনুসৰণ কৰিবলগীয়া প্ৰক্ৰিয়া ;

[৫][(ছছ) এনে অভিৰক্ষাত ব্যক্তিবোৰ লোৱাৰ বাবে অনুসৰণ কৰিবলগীয়া প্ৰক্ৰিয়া অন্তৰ্ভুক্ত কৰি এই অধিনিয়মৰ অধীনত বাহিনীৰ অভি ৰক্ষা সম্পৰ্কত বিষয় বস্তুবোৰ বিনিয়মিত কৰা;

(ছছছ) এই অধিনিয়মৰ অধীনত অপৰাধসমূহৰ ক্ষেত্ৰত গোচৰসমূহ নিষ্পত্তি কৰিবলৈ বিষয় বস্তুবোৰ বিনিয়মিত কৰি আৰু স্থানবোৰ বিনিৰ্দিষ্ট কৰি যি স্থানত এই অধিনিয়মৰ অধীনত দোষী সাব্যস্ত কৰা ব্যক্তিবোৰক আবদ্ধ কৰি ৰাখিব পাৰি ;]

[৬][(ছছছছ) ধাৰা ৯ৰ উপধাৰা (২ক)ৰ অধীনত বিহিত প্ৰাধিকাৰী আৰু পুনৰীক্ষণ দৰ্খাস্তৰ নিষ্পত্তি কৰাত এনে প্ৰাধিকাৰীৰ দ্বাৰা অনুসৰণ কৰিবলগীয়া প্ৰক্ৰিয়া ;

(ছছছছছ) ধাৰা ৯ৰ উপধাৰা (২খ) ৰ অধীনত বিহিত প্ৰাধিকাৰী, যিটো কালৰ ভিতৰত এনে প্ৰাধিকাৰীয়ে অভিলেখ বিচাৰিব পাৰে আৰু ৰীতি, যি ৰীতিত এনে প্ৰাধিকাৰীয়ে তদন্ত কৰিব পাৰে ;]

(জ) সেই চৰ্ত্তাৱলী যিবোৰৰ সাপেক্ষে বাহিনীৰ [৪][X X X X]সদস্যসকলক ধাৰা ১৪ ৰ অধীনত আৰু তাৰ দায়িত্বত প্ৰতি নিয়োগ কৰিব পাৰি ; [৭][X X X X]

---

১। ১৯৮৩ অধিনিয়ম ১৪ৰ ধাৰা ১৩ আৰু অনুসূচীৰ দ্বাৰা (১৫-৬-১৯৮৩ৰ পৰা) লোপ কৰা হৈছে ।

২। ১৯৮৩ অধিনিয়ম ১৪ৰ ধাৰা ১৩ আৰু অনুসূচীৰ দ্বাৰা (১৫-৬-১৯৮৩ৰ পৰা) লোপ কৰা হৈছে ।

৩। ১৯৮৩ অধিনিয়ম ১৪ৰ ধাৰা ১৩ আৰু অনুসূচীৰ দ্বাৰা (১৫-৬-১৯৮৩ৰ পৰা) লোপ কৰা হৈছে ।

৪। ১৯৮৩ ৰ ১৪ নং অধিনিয়মৰ ধাৰা ১২ ৰ দ্বাৰা (১৫-৬-১৯৮৩ ৰ পৰা) লোপ কৰা হৈছে ।

৫। ১৯৮৩ৰ অধিনিয়ম ১৪ৰ ধাৰা ১২ ৰ দ্বাৰা (১৫-৬-১৯৮৩ ৰ পৰা ) অন্তঃস্থাপিত ।

৬। কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনী (সংশোধন আৰু বৈধকৰণ) অধিনিয়ম,১৯৯৯ৰ ধাৰা ৯ৰ দ্বাৰা অন্তঃস্থাপিত।

৭ ।একেই অধিনিয়মৰ ধাৰা ৯ৰ দ্বাৰা লোপ কৰা হৈছে ।

[1][(জজ) ৰীতি যি ৰীতিত আৰু মাচুল আদায়ত যিটোৰ কাৰিকৰী পৰামৰ্শ সেৱা সমূহৰ ধাৰা ১৪ক ৰ উপধাৰা (১)ৰ অধীনত উপবন্ধিত কৰা হব ; আৰু ]

(ঝ) কোনো অন্য বিষয় যিটো বিহিত কৰিব লাগে বা কৰিব পাৰি [2][ বা যাৰ সম্পৰ্কত এই অধিনিয়মৰ অধীনত নিয়মবোৰ প্ৰণয়ন কৰিবলৈ অপেক্ষিত হয়। ]

(৩) এই ধাৰাৰ অধীনত প্ৰণীত কৰা প্ৰত্যেক নিয়ম, প্ৰণয়ন কৰাৰ পাছত যথা শীঘ্ৰে সংসদৰ প্ৰত্যেক সদনৰ সন্মুখত যেতিয়া ই অধিবেশনত মুঠ ত্ৰিশ দিনৰ কালৰ বাবে থাকে, যিটো এখন অধিবেশন [3][ বা দুখন বা ততোধিক ক্ৰমাগত অধিবেশনত ভুক্ত হব পাৰে, উত্থাপিত কৰা হব আৰু যদি সেই অধিবেশনৰ বা ঠিক পাছৰ অধিবেশনৰ অৱসানৰ পূৰ্বে ] উভয় সদনে সেই নিয়মৰ কোনো পৰিবৰ্ত্তন কৰিবলৈ একমত হয় বা উভয় সদন একমত হয় যে সেই নিয়ম প্ৰণয়ন কৰা অনুচিত তেতিয়া তাৰ পাছত, যথাস্থিতি, সেই পৰিবৰ্ত্তিত ৰূপত প্ৰভাবী হব বা প্ৰভাৱহীন হব, কিন্তু এই প্ৰকাৰৰ এনে কোনো পৰিবৰ্ত্তন বা ৰদ্‌কৰণ সেই নিয়মৰ অধীনত পূৰ্বে কৰা হোৱা যিকোনো কথাৰ বিধিমান্যতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ হব ।

**নিৰসন আৰু ব্যাবৃতি। ২০০৯ ৰ অধ্যাদেশ নং - ২**

(১) কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনী (সংশোধন) অধ্যাদেশ, ২০০৯ ইয়াৰ দ্বাৰা নিৰসিত হৈছে।

(২) এনে নিৰসন স্বত্বেওঁ, সেই অধ্যাদেশৰ দ্বাৰা সংশোধিত ধৰনে মূল অধিনিয়মৰ অধীনত কৰা কোনো কাৰ্য্য বা লোৱা কোনো কাৰ্য্যব্যৱস্থা এই অধিনিয়মৰ দ্বাৰা সঁশোধিত ধৰনে মূল অধিনিয়মৰ অধীনত কৰা হৈছে বা লোৱা হৈছে বুলি গণ্য কৰা হব ।

## অনুসূচী

(ধাৰা ৬ চাওঁক)

ক, খক কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনী অধিনিয়ম, ১৯৬৮ৰ অধীনত কেন্দ্ৰীয় ঔদ্যেগিক সুৰক্ষা বাহিনী [4][ এজন নাম ভুক্ত সদস্য ] নিযুক্ত কৰা হৈছে আৰু তাত [4][ এজন নাম ভুক্ত সদস্য ] সদস্যৰ ক্ষমতা, কৃত্য আৰু বিশেষাধিকাৰ নিহিত কৰা হৈছে ।

**কেতবোৰ পুনৰীক্ষণ দৰ্খাস্ত নিষ্পত্তিৰ বৈধকৰণ।**

১২ নবেম্বৰ ১৯৬৯ তাৰিখত সংখ্যা এছ,অ, ৪৬৩ ত ভাৰত চৰকাৰৰ গৃহমন্ত্ৰালয়ত অধিসূচনাৰ সৈতে প্ৰকাশিত, কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনী নিয়মাৱলী ১৯৬৯ ৰ নিয়ম ৪৯ ৰ বৈপৰীতে কোনো ন্যায়ালয়ৰ কোনো ৰায়, ডিক্ৰী বা আদেশ স্বত্বেও এই অধিনিয়মৰ দ্বাৰা সংশোধিত দৰে মুখ্য অধিনিয়মৰ অধীনত হব বুলি আৰু সদায় হৈ আছে বুলি গণ্য হব যেনিবা এনেদৰে সংশোধিত মুখ্য অধিনিয়মখন এই অধিনিয়মৰ প্ৰাৰম্ভণৰ পূৰ্বে সকলো বাস্তৱিক সময়ত বলবৎ হৈছিল আৰু তদনুসাৰে এই অধিনিয়মৰ প্ৰাৰম্ভণৰ পূৰ্বে উক্ত নিয়ম ৪৯ ৰ অধীনত বা কৰা বা অৰ্থ কৰা কোনো আদেশৰ অধীনত কোনো পুনৰীক্ষণ দৰ্খাস্তৰ নিষ্পত্তি বা কোনো ব্যৱস্থা বা লোৱা বা কৰা ব্যৱস্থা বা এনে দৰ্খাস্তৰ অধীনত অবৈধ বুলি গণ্য কৰা নহব বা কেৱল এনে আধাৰৰ ওপৰত অবৈধ হব যে কেন্দ্ৰীয় চৰকাৰৰ মুখ্য অধিনিয়মৰ অধীনত উক্ত নিয়ম ৪৯ প্ৰণয়ন কৰিবলৈ ক্ষমতা নাছিল ।

---

১। কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনী (সংশোধন আৰু বৈধকৰণ) অধিনিয়ম,১৯৯৯ৰ ধাৰা ৯ৰ দ্বাৰা অন্তঃস্থাপিত।

২। ১৯৮৩ৰ অধিনিয়ম ১৪ৰ ধাৰা ১২ৰ দ্বাৰা ১৫-৬-১৯৮৩ৰ পৰা) অন্তঃস্থাপিত ।

৩। ১৯৮৩ৰ অধিনিয়ম ১৪ৰ ধাৰা ১২ৰ দ্বাৰা ১৫-৬-১৯৮৩ৰ পৰা) প্ৰতিস্থাপিত ।

৪। একে অধিনিয়মৰ ধাৰা ১৩ৰ আৰু অনুসূচীৰ দ্বাৰা (১৫-৬-১৯৮৩ৰ পৰা) প্ৰতিষ্ঠাপিত।

-XXX-

সচিব,

ভাৰত চৰকাৰ

Secretary to the Government of India.

---

ভাৰত চৰকাৰৰ হকে অসম চৰকাৰ (বিধান বিভাগ)ৰ দ্বাৰা প্ৰকাশিত আৰু অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী-২১

২৬-১১-২০১০